# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-12-2024 **Time : ** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ড° বি আৰ আম্বেদকাৰক অপমান কৰা বুলি অভিযোগ তুলি বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে আজি সংসদৰ উভয় সদনৰ কাৰ্যক্ৰমণিকা দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

২। কেন্দ্ৰীয় চৰকাৰে বিগত ১০ বছৰত সংখ্যালঘুসহ দুখীয়া লোকৰ জীৱনধাৰণৰ মান উন্নীত কৰা বুলি শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে প্ৰকাশ কৰিছে।

৩। ৰাষ্ট্ৰীয় তদন্ত সংস্থাই নিষিদ্ধ ঘোষিত সন্ত্ৰাসবাদী সংগঠন বাবৰ খালচা ইণ্টাৰনেচনেলৰ দুৰ্ধৰ্ষ সদস্য লখবীৰ সিঙৰ দুজন সহযোগীৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছে।

৪। বিশ্বৰ অন্যতম শ্ৰেষ্ঠ অফ স্পীনাৰ ৰবিচন্দ্ৰন অশ্বিনে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণৰ কথা ঘোষণা কৰিছে।

আৰু

৫। ব্ৰীছবেনত ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ তৃতীয়খন ক্ৰিকেট টেষ্ট আজি অমীমাংসিতভাৱে সমাপ্ত হৈছে।

ooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ড° বি আৰ আম্বেদকাৰক অপমান কৰা বুলি অভিযোগ তুলি বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে আজি সংসদৰ উভয় সদনৰ কাৰ্যক্ৰমণিকা দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়। পুৱাৰ ভাগত লোকসভা মিলিত হোৱাৰ সময়ত কংগ্ৰেছ, ডি এম কে আৰু বাওঁ দলকে ধৰি বিৰোধী পক্ষৰ সাংসদসকলে শ্ৰী শ্বাহে কালি ৰাজ্যসভাত কৰা মন্তব্যক লৈ ধ্বনি দি সদনৰ মজিয়ালৈ উঠি যায়। সংসদীয় পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল আৰু শাসকীয় পক্ষৰ অন্য সদস্যসকলে বিৰোধী পক্ষৰ সাংসদসকলৰ আচৰণৰ বিৰোধিতা কৰে। শ্ৰী মেঘৱালে কংগ্ৰেছে সদায় ড° বি আৰ আম্বেদকাৰক অপমান কৰা বুলি অভিযোগ তোলে। কংগ্ৰেছে ৰাজনৈতিক বাধ্য বাধকতাৰ বাবে ড° আম্বেদকাৰক সন্মান প্ৰদান কৰিবলৈ বাধ্য হোৱা বুলিও তেওঁ দাবী কৰে।

এনে হুলস্থুলীয়া পৰিস্থিতিৰ মাজতে অধ্যক্ষ ওম বিৰলাই সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

ৰাজ্যসভাতো অনুৰূপ পৰিস্থিতিৰ সৃষ্টি হয়। পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত কংগ্ৰেছ, ডি এম কে, আৰ জে দি, আম আদমী পাৰ্টী আৰু অন্য দলৰ সাংসদসকলে কেন্দ্ৰীয় গৃহ মন্ত্ৰীৰ মন্তব্যৰ বিৰোধিতা কৰি শ্লʼগান দিবলৈ ধৰে। এনে পৰিস্থিতিৰ মাজতে সভাপতি জগদীপ ধনখড়ে কয় যে ড° আম্বেদকাৰ এগৰাকী অতিকৈ সন্মানীয়

ব্যক্তি আৰু সকলোৰে বাবে তেওঁ নিদৰ্শন স্বৰূপ। ইয়াৰ পাছতে সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয়, যে শ্ৰী শ্বাহে আম্বেদকাৰলৈ সন্মান প্ৰদৰ্শন কৰিছে। কংগ্ৰেছে ডং আম্বেদকাৰক জীৱনকালত অসন্মান কৰা বুলি আৰু লোকসভা নিৰ্বাচনত নেতাগৰাকীক পৰাস্ত কৰাৰ বাবে ষড়যন্ত্ৰ ৰচনা কৰা বুলি অভিযোগ তোলে। এনে হুলস্থুলীয়া পৰিস্থিতিৰ মাজতে সদনৰ কাৰ্যক্ৰমণিকা দিনৰ ২ বজালৈ স্থগিত ৰাখে।

ইপিনে, বিৰোধী পক্ষৰ সাংসদসকলে শ্ৰী শ্বাহৰ পৰা ক্ষমা বিচাৰি আজি সংসদ ভৱনৰ বাহিৰত প্ৰতিবাদ সাব্যস্ত কৰে। কংগ্ৰেছ, ডি এম কে, আৰ জে ডি, আম আদমী পাৰ্টী, বাওঁদল আৰু অন্য দলৰ সাংসদসকলে বিষয়টো লৈ চৰকাৰৰ বিৰুদ্ধে ধ্বনি দিয়ে। ৰাজ্যসভাত বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গেই সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত গৃহমন্ত্ৰীগৰাকীক তেওঁৰ মন্তব্যৰ বাবে তীব্ৰ সমালোচনা কৰে। শ্ৰী শ্বাহে তেওঁৰ বক্তব্যৰে সংবিধান প্ৰণেতাগৰাকীক অপমান কৰা বুলি কংগ্ৰেছ নেতাগৰাকীয়ে অভিযোগ তোলে।

ooooooooo

চৰকাৰে বিগত ১০ বছৰত সংখ্যালঘু সম্প্ৰদায়কে ধৰি দৰিদ্ৰ জনসাধাৰণৰ জীৱন উন্নীত কৰিছে বুলি কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি সংখ্যালঘু শৈক্ষিক প্ৰতিষ্ঠানৰ ৰাষ্ট্ৰীয় আয়োগৰ ২০ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰে সবকা সাথ, সবকা বিকাশ মন্ত্ৰৰে আগবাঢ়িছে। শ্ৰী প্ৰধানে প্ৰধানমন্ত্ৰী আবাস যোজনা আৰু প্ৰধানমন্ত্ৰী উজ্বলা যোজনাৰ দৰে চৰকাৰৰ আঁচনিসমূহত আলোকপাত কৰি কয়, যে এই আঁচনিসমূহে বিশেষকৈ সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলৰ জীৱন ধাৰণৰ মান উন্নত কৰিছে। শিক্ষাৰ গুৰুত্বৰ কথা উল্লেখ কৰি শ্ৰী প্ৰধানে কয়, যে সংখ্যালঘু সম্প্ৰদায়ৰ সবলীকৰণৰ বাবে সংখ্যালঘু শৈক্ষিক প্ৰতিষ্ঠানৰ ৰাষ্ট্ৰীয় আয়োগ গঠন কৰা হৈছিল। শিক্ষামন্ত্ৰীগৰাকীয়ে শৈক্ষিক প্ৰতিষ্ঠানসমূহক বিশেষকৈ সংখ্যালঘু প্ৰতিষ্ঠানসমূহক ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ সঠিকভাৱে ৰূপায়ণ কৰিবলৈ আহ্বান জনায়।

ooooooooo

ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা NIA-ই নিষিদ্ধ ঘোষিত সন্ত্ৰাসবাদী সংগঠন বাবৰ খালচা ইণ্টাৰনেচনেলৰ দুৰ্ধৰ্ষ সদস্য লখবীৰ সিঙৰ দুজন সহযোগীৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰা বুলি প্ৰকাশ কৰিছে। পাঞ্জাৱৰ ম'হালিৰ NIA ৰ এখন বিশেষ আদালতত কালি এই অভিযোগনামা দাখিল কৰা হয়। তদন্তকাৰী সংস্থাটোৰ সূত্ৰই প্ৰকাশ কৰা মতে অভিযুক্ত যশপ্ৰীত সিং ওৰফে যশ আৰু বলজিৎ সিং ওৰফে ৰানা ভাই বিদেশস্থিত খালিস্তানী সন্ত্ৰাসবাদী লখবীৰ সিং ওৰফে লন্দাৰ দলৰ সক্ৰিয় সদস্য।

ooooooooo

শ্ৰীলংকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ৰানিল বিক্ৰম সিংঘেই দেশখনৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কেৰ শেহতীয়া ভাৰত ভ্ৰমণৰ সময়ত জাৰি কৰা যুটীয়া বিবৃতিৰ প্ৰশংসা কৰিছে। কলম্বোত জাৰি কৰা এটা বিবৃতিত প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীয়ে এই ঘটনাৰাজিৰ প্ৰতি আদৰণি জনাইছে আৰু এই যুটীয়া বিবৃতিটোৱে ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ সহযোগিতা সুদৃঢ় কৰিব বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাষ্ট্ৰপতি দিশানায়কেৰ মাজত অনুষ্ঠিত সৰ্বাত্মক আলোচনাৰ পাছত এই যুটীয়া বিবৃতিটো জাৰি কৰা হৈছিল।

ooooooooo

চৰকাৰে আন্তঃগাঁথনি উন্নয়ন, অৰ্থনৈতিক বিকাশ আৰু কৃষিৰ লগতে সাংস্কৃতিক বিকাশ আৰু সম্প্ৰীতিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী জি কিষান ৰেড্ডীয়ে প্ৰকাশ কৰিছে। আজি পুৱা নতুন দিল্লীত

সংবাদ মাধ্যমৰ আগত মন্ত্ৰীগৰাকীয়ে কয় যে দেশৰ ভাষাসমূহ ৰাষ্ট্ৰীয় ঐক্য আৰু সাংস্কৃতিক ইতিহাসৰ এক গুৰুত্বপূৰ্ণ ভেঁটিস্বৰূপ।

ভাৰতৰ ঐতিহাসিক বৈচিত্ৰ্যৰ বিষয়ে উল্লেখ কৰি শ্ৰী ৰেড্ডীয়ে কয় যে ভাৰতত **১২১**টা বিশিষ্ট ভাষা আৰু প্ৰায় **১৬০০**টা উপভাষা আছে। তেওঁ লগতে কয় যে ভাষাসমূহ কেৱল যোগাযোগৰ মাধ্যমেই নহয় বৰং জ্ঞান ,সংস্কৃতি আৰু পৰম্পৰা তথা ঐতিহ্যৰ বাহক। মন্ত্ৰীগৰাকীয়ে কয় যে  সবলীকৰণ আৰু ব্যক্তিগত ভাৱ বিনিময়ৰ বাবে ভাষা গুৰুত্বপূৰ্ণ মাধ্যম হোৱা হেতুকে কেন্দ্ৰীয় চৰকাৰে ভাষা আৰু উপভাষাৰ সংৰক্ষণ আৰু সুৰক্ষাৰ বাবে উদ্যোগ গ্ৰহণ কৰিছে।২০২০ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ অন্তৰ্ভুক্ত তিনিটা ভাষা ব্যৱহাৰৰ পদক্ষেপে ছাত্ৰ ছাত্ৰী সকলৰ বাবে শিক্ষাগ্ৰহণ সুচল কৰি তোলাৰ লগতে সৰ্বসাধাৰণ লোকক শিক্ষা আৰু নিয়োগৰ ক্ষেত্ৰত আঞ্চলিক ভাষা ব্যৱহাৰৰ বাবে উৎসাহিত কৰিব বুলিও তেওঁ কয়। শ্ৰী ৰেড্ডীয়ে কয় যে চলিত বৰ্ষৰ অক্টোবৰ মাহত কেন্দ্ৰীয় মন্ত্ৰীসভাই মাৰাঠী, পালি, প্ৰাকৃত, অসমীয়া আৰু বাংলা ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰিছিল। তেওঁ লগতে কয় যে ভাৰত একমাত্ৰ দেশ যিয়ে **১১**টা ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰিছে।

০০০০০০০০০

চলিত বছৰৰ  তৃতীয়টো ত্ৰৈমাসিকত শ্ৰীলংকাৰ অৰ্থনীতি  ৫.৫% বৃদ্ধি পাইছে। দ্বীপ ৰাষ্ট্ৰ খনৰ লোকপিয়ল আৰু পৰিসংখ্যা বিভাগে প্ৰকাশ কৰা তথ্য অনুসৰি স্থিৰ মূল্যত মুঠ ঘৰুৱা উৎপাদন বিগত বছৰৰ তৃতীয় ত্ৰৈমাসিকৰ ২.৯৮৭ ট্ৰিলিয়ন শ্ৰীলংকাৰ টকাৰ পৰা বৃদ্ধি পাই প্ৰায় ৩.১৫২ ট্ৰিলিয়ন শ্ৰীলংকাৰ টকা হৈছেগৈ । এই বৃদ্ধিৰ মূলতে আছে কৃষিক্ষেত্ৰত ৩%, ঔদ্যোগিক কাৰ্য্যকলাপত ১০.৮%, আৰু সেৱাখণ্ডত ২.৬% বিকাশ। ইফালে, বিগত বছৰৰ ডিচেম্বৰত মুঠ ঘৰুৱা উৎপাদনত ঋণৰ পৰিমাণ ১০৫.৪৯% ৰ পৰা চলিত বছৰৰ ছেপ্টেম্বৰ মাহত ১০১.৮% লৈ হ্ৰাস পাইছে।অৱশ্যে মুঠ ঋণ যোৱা বছৰৰ ডিচেম্বৰ মাহত ২৯,১৪৬ বিলিয়ন টকাৰ পৰা এই বছৰৰ ছেপ্টেম্বৰ মাহত  ৩০,০২৫ বিলিয়ন লংকা টকালৈ বৃদ্ধি পাইছে। অৰ্থনৈতিক সংকটৰ পৰিপ্ৰেক্ষিতত ২০২২ চনৰ এপ্ৰিল মাহত শ্ৰীলংকাই বহিঃ ৰাষ্ট্ৰৰ ঋণ পৰিশোধৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হয়।  দ্বীপ ৰাষ্ট্ৰখনে অত্যাৱশ্যকীয় সামগ্ৰীৰ নাটনিৰ সন্মুখীন হোৱাৰ উপৰি আৰু অত্যাৱশ্যকীয় সামগ্ৰী আমদানি কৰাটোও কঠিন হৈ পৰিছিল। কিন্তু ভাৰত, চৰকাৰী ঋণ প্ৰদানকাৰী সমিতিৰ সদস্য আৰু আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিৰ সক্ৰিয় সমৰ্থনত দ্বীপটোৱে ২০২২ আৰু ২০২৩ চনত নিৰাশাজনক প্ৰদৰ্শনৰ পিছত ইতিবাচক বৃদ্ধিলৈ ঘূৰি আহি নিজৰ অৰ্থনীতি সুস্থিৰ কৰিবলৈ সমৰ্থ হৈছে। দেশখনৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰ দিছানায়কে শেহতীয়াকৈ ভাৰত ভ্ৰমণত ব্যৱসায়ী সমাজক সাক্ষাৎ কৰি শ্ৰীলংকাত বিনিয়োগকাৰীৰ বাবে অনুকূল পৰিৱেশৰ ওপৰত আলোকপাত কৰে আৰু ভাৰতীয় উদ্যোগীসকলক দেশখনত বিনিয়োগৰ সুযোগসমূহ অন্বেষণ কৰিবলৈ আমন্ত্ৰণ জনায়।

000000000

বিশ্বৰ অন্যতম শ্ৰেষ্ঠ অফ স্পীনাৰ ৰবিচন্দ্ৰন অশ্বিনে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণৰ কথা ঘোষণা কৰিছে। ভাৰতৰ হৈ ৩৮ বছৰীয়া অশ্বিনে ১০৬ খন টেষ্ট খেলি ৫৩৭ টা উইকেট অধিকাৰ কৰিছিল। অনিল কুম্বলেৰ পাছত তেওঁ হৈছে টেষ্ট ক্ৰিকেটত ভাৰতৰ হৈ দ্বিতীয় সৰ্বাধিক উইকেট দখল কৰোতা। আজি ব্ৰীছবেনৰ গাবাত তৃতীয় টেষ্টৰ সামৰণিত ৰবিচন্দ্ৰন অশ্বিনে তেওঁৰ অৱসৰ গ্ৰহণৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। তেওঁৰ গৌৰৱোজ্জ্বল খেলুৱৈ জীৱনত অশ্বিনে ১১ খন টেষ্ট খেলত প্লেয়াৰ অব্ দা মেচ সন্মান অৰ্জন কৰিছিল। অল ৰাউণ্ডাৰ হিচাপেও পৰিচিত অশ্বিনে টেষ্ট ক্ৰিকেটত ছটা চেঞ্চুৰী আৰু ১০ টা হাফ চেঞ্চুৰীসহ মুঠ ৩ হাজাৰ ৫০৩ ৰান সংগ্ৰহ কৰিছিল। ভাৰতৰ হৈ খেলি তেওঁ দলক বহুকেইবাৰ বিপদৰ পৰা উদ্ধাৰ কৰিছিল।

00000000

ব্ৰীছবেনত ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ বৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ তৃতীয়খন ক্ৰিকেট টেষ্ট আজি অমীমাংসিতভাৱে সমাপ্ত হৈছে। খেলখনৰ আজি অন্তিম দিনা ঘৰুৱা দলটোৱে দ্বিতীয় ইনিংছত ৭ উইকেটৰ বিনিময়ত ৮৯ ৰান কৰি নাটকীয়ভাৱে ইনিংছ সমাপ্তি ঘোষণা কৰে আৰু ভাৰতক দ্বিতীয় ইনিংছত ২৭৫ ৰানৰ বিজয় লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। ভাৰতে দ্বিতীয় ইনিংছ আৰম্ভ কৰি কোনো উইকেট নেহেৰুৱাকৈ ৮ ৰান কৰা অৱস্থাত বৰষুণৰ বাবে খেলৰ সমাপ্তি ঘোষণা কৰা হয়। ইয়াৰ আগতে ভাৰতে কালি ৯ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ২৫২ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল পুনৰ আৰম্ভ কৰি ২৬০ ৰানত আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতৰ হৈ দশম উইকেটৰ যুটীত যশপ্ৰীত বুমৰা আৰু আকাশদ্বীপে মুঠ ৪৭ ৰান সংগ্ৰহ কৰে। ফলত ভাৰত অষ্ট্ৰেলিয়াতকৈ ১৮৫ ৰানত পিছপৰি থাকে। অষ্ট্ৰেলিয়াই দ্বিতীয় ইনিংছ আৰম্ভ কৰি বিপৰ্যয়ৰ সন্মুখীন হয় আৰু ৮৯ ৰানতে ৭ টা উইকেট হেৰুৱাই যদিও দলটোৰ অধিনায়ক পেট কামিংছে ইনিংছ সমাপ্তি ঘোষণা কৰে। ভাৰতৰ হৈ বুমৰাই ১৮ ৰানত তিনিটা উইকেট দখল কৰে। চিৰাজ আৰু আকাশদীপে দুটাকৈ উইকেট দখল কৰে। প্ৰথম ইনিংছত ছটা আৰু দ্বিতীয় ইনিংছত তিনিটা উইকেট দখল কৰা  যশপ্ৰীত বুমৰাক মেন অব দা মেচ ঘোষণা কৰা হয়।

পাঁচখন খেলৰ শৃংখলাটোত দুয়োটা দলে ইতিমধ্যে একোখনকৈ খেলত জয় লাভ কৰিছে।

000000

সমাপ্ত